# প্ৰাকৃতিক দুৰ্যোগ

## অনুশীলনী

**মৌখিক কাৰ্য :-**

**১। বাৰিষা বৰষুণত বানপানী সৃষ্টি হোৱা অসমৰ দুখন নদীৰ নাম কোৱা।**

**উত্তৰঃ** জীয়াধল আৰু গাইনদী।

**২। তিনিটা প্ৰাকৃতিক দুৰ্যোগৰ নাম কোৱা।**

**উত্তৰঃ** বানপানী , খৰাং আৰু ভূমিকম্প।

**৩। খৰাং বুলিলে কি বুজা ?**

**উত্তৰঃ** যি ঠাইত বহুদিন ধৰি বৰষুণ নহয় তেনে ঠাইত কোনো ধৰণৰ শস্য নগজে। নদী , পুখুৰী , জলাশয়বোৰ শুকাই যায়। প্ৰকৃতিৰ এনে অৱস্থাক খৰাং বোলা হয়।

**৪। বানপানী আৰু খৰাঙৰ মাজত পাৰ্থক্য কি ?**

**উত্তৰঃ** অত্যাধিক বৰষুণৰ ফলত নদীৰ পানী উপচি পৰে। ফলত চাৰিওফালৰ অঞ্চলবোৰ পানীত বুৰ যায়। ইয়াকে বানপানী বোলা হয়।

বহুদিন বৰষুণ নোহোৱা ঠাইবোৰত নদীৰ পানী শুকাই যায় , কোনো ধৰণৰ শস্য নগজে। প্ৰকৃতিৰ এনে অৱস্থাক খৰাং বোলে।

ইয়েই হৈছে বানপানী আৰু খৰাঙৰ মাজত থকা পাৰ্থক্য।

**৫। ধৰি লোৱা তুমি এখন নিকেতনৰ প্ৰধানাচাৰ্য্য। তোমাৰ নিকেতনত পানী সোমাইছে তুমি ল’ৰা – ছোৱালীৰ নিৰাপত্তাৰ বাবে কি ব্যৱস্থা হাতত ল’বা।**

**উত্তৰঃ** নিকেতনত পানী সোমোৱাৰ লগে লগে বিদ্যুতৰ সংযোগবোৰ কাটি দিয়াৰ ব্যৱস্থা কৰিম। ল’ৰা-ছোৱালীবোৰক ওখ নিৰাপদ স্থানলৈ লৈ যাম।

**লিখিত কাৰ্য :-**

**১। বানপানীৰ তিনিটা কুফল লিখা।**

**উত্তৰঃ** বানপানীৰ তিনিটা কুফল হল

(ক) বানপানীৰ কবলত বহুলোকৰ মৃত্যু হয়।

(খ) বানপানীৰ ফলত খেতিবোৰ নষ্ট হয়।

(গ) বানপানীৰ ফলত বহুদিনলৈ পানীবোৰ জমা হৈ থকাৰ ফলত দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হয় আৰু বহুতো বেমাৰৰ বীজাণু উৎপন্ন হয়।ফলত কলেৰা , মেলেৰীয়া আদি ৰোগত আক্ৰান্ত হয়।

**২। যিকোনো এটা প্ৰাকৃতিক দুৰ্যোগৰ বিষয়ে দহ শাৰী বাক্য লিখা।**

**উত্তৰঃ** খৰাং: কোনো এখন ঠাইত বহুদিন ধৰি বৰষুণ নহলে কোনো ধৰণৰ শস্য নগজে। নদী , পুখুৰী আদিবোৰ শুকাই পৰে। প্ৰকৃতিৰ এনে অৱস্থাক খৰাং বোলা হয়। যিবোৰ ঠাইত পানীৰ প্ৰাকৃতিক উৎস যথেষ্ট কম , সেই ঠাইবোৰত বতৰ খৰাং হয়। হাবি , জংগল , গছ – গছনি কাটি নোহোৱা ঠাইবোৰতো বৰষুণৰ পৰিমাণ কমি যায় আৰু খৰাং হয়। খৰাং হলে খেতিয়ক সকল আটাইতকৈ বেছি কবলত পৰে তেওঁলোক খেতি কৰাৰ পৰা বঞ্চিত হয় আৰু ফলত খাদ্যৰ নাটনি হয়। খৰাং হলে জনসাধাৰণ পানীৰ অভাৱত ভুগে। আমাৰ দেশৰ ৰাজস্থান , গুজৰাট , মধ্যপ্ৰদেশ আদিত যথেষ্ট খৰাং হয়। খৰাং ঠাইবোৰত যথেষ্ট পৰিমাণে গছ–গছনি ৰুব লাগে। ফলত সেই ঠাইৰ বায়ুত জলীয় বাষ্প বাঢ়িব আৰু বৰষুণৰ পৰিমাণ বৃদ্ধি হ’ব।

**৩। কি কি মাধ্যমৰ জৰিয়তে আমি প্ৰাকৃতিক দুৰ্যোগৰ বিষয়ে জানিব পাৰো ?**

**উত্তৰঃ** ৰেডিঅ ’ , টেলিভিছন , ইণ্টাৰনেট , বাতৰি কাকত আদি মাধ্যমৰ জৰিয়তে দুৰ্যোগৰ বিষয়ে জানিব পাৰো।

**৪। প্ৰলয়ংকাৰী ভূমিকম্পত হ’ব পৰা ক্ষতিৰ বিষয়ে তোমাৰ নিজৰ ভাষাত লিখা।**

**উত্তৰঃ** যিখিনি ঠাইত ভূমিকম্পৰ উৎপত্তি হয় ঠিক তাৰ আশে -পাশে থকা ঠাইখিনিত আটাইতকৈ বেছি ক্ষতি হয়। মাটিত কঁপনি হোৱা বাবে মাটিৰ ওপৰত থকা ঘৰ – দুৱাৰ , গছ – গছনি আদিত কঁপনি হয়। জোকাৰণি বেছি হ’লে ঘৰ – দুৱাৰ ভাঙি পৰে। ফলত

ঘৰৰ ভিতৰত থকা মানুহবোৰ ওলাই আহিব নোৱাৰি মৃত্যু মুখত পৰে। গছ – গছনি ভাঙি পৰে , বিদ্যুতৰ খুটা উভালি পৰে। এনেদৰে বিদ্যুতৰ তাঁৰ বোৰ ছিঙি জুই জ্বলিও যায়। তেতিয়া মানুহৰ ক্ষতি সাধন হয়।

**৫। খৰাঙৰ ফলত কি কি ক্ষতি হ'ব পাৰে ?**

**উত্তৰঃ** খৰাঙৰ ফলত হোৱা ক্ষতিবোৰ হ'ল –

(ক) খৰাং হলে খেতিয়কসকল খেতি কৰাৰ পৰা বঞ্চিত হয়। ফলত খাদ্য , শস্য , ফল – মূল আদিৰ নাটনি হয়।

(খ) খৰাং হ'লে জনসাধাৰণ পানীৰ অভাৱত ভুগে। দৈনন্দিন প্ৰয়োজন হোৱা পানীৰ অভাৱৰ লগতে বিশুদ্ধ পানীৰ নাটনিয়ে মানুহৰ আলৈ – আথানিৰ সৃষ্টি কৰে।

**৬। কি ঘটিব পাৰে যদি কোনো ঠাইত**

(ক) বহুদিন ধৰি বৰষুণ নহয়।

**উত্তৰঃ** বহুদিন ধৰি কোনো এখন ঠাইত বৰষুণন হ'লে সেই ঠাইত খৰাং হয়।

(খ) একেলেঠাৰীয়ে বহুদিন বৰষুণ হয়।

**উত্তৰঃ** বহুদিন ধৰি একেলেঠাৰীয়ে বৰষুণ দিলে সেই ঠাইত বানপানী হয়।

(গ) বিশুদ্ধ পানীৰ যদি অভাৱ হয় –

**উত্তৰঃ** এখন ঠাইত বিশুদ্ধ পানীৰ অভাৱ হ'লে সেই ঠাইখনৰ মানুহখিনিৰ বিভিন্ন ধৰণৰ ৰোগ হয়।

যেনে – ডায়েৰিয়া , কলেৰা , জণ্ডিছ আদিত আক্ৰান্ত হ'ব পাৰে।

**৭। চিছম'গ্ৰাফৰ কাৰ্য কি ?**

**উত্তৰঃ** চিছম'গ্ৰাফৰ সহায়ত ভূমিকম্পৰ মাত্ৰা জোখা হয়।

# অতিৰিক্ত প্ৰশ্নোত্তৰ

**১। প্ৰাকৃতিক দুৰ্যোগ কাক বোলে ?**

**উত্তৰঃ** কিছুমান ঘটনা হঠাতে ঘটে য'ত মানুহৰ কোনো নিয়ন্ত্ৰণ নাথাকে। এনেদৰে হঠাতে প্ৰাকৃতিক ভাৱে ঘটা মানুহে নিয়ন্ত্ৰণ কৰিব নোৱাৰা ঘটনাবোক প্ৰাকৃতিক দুৰ্যোগ বোলে।

**২। বানপানী হোৱাৰ কাৰণবোৰ উল্লেখ কৰা।**

**উত্তৰঃ** বানপানী হোৱাৰ কাৰণসমূহ হ'ল –

(ক) বৰষুণৰ পৰিমাণ অধিক হলে নদীৰ পানী ওপৰলৈ উঠি আহে আৰু কাষৰ ঠাইবোৰ পানীৰে বুৰাই পেলায়।

(খ) কেতিয়াবা নদীৰ অংশ বাম হ'লে সেই ঠাইৰ পানী উপচি কাষৰ ঠাইবোৰত বানপানীৰ সৃষ্টি কৰে।

(গ) অত্যধিক উষ্ণতাৰ ফলত পৰ্বতৰ বৰফসমূহ গলিবলৈ আৰম্ভ কৰে আৰু বৰফৰ গলিত পানীয়ে বান পানীৰ সৃষ্টি কৰে।

(ঘ) সাগৰীয় উপকূল অঞ্চলত বায়ুৰ চাপ সলনি হৈ থাকে। বায়ুমণ্ডলৰ এই পৰিৱৰ্তনে সাগৰীয় ধুমুহাৰ সৃষ্টি কৰে আৰু উপকূল অঞ্চল জলমগ্ন হৈ পৰে।

**৩। বানপানীৰ এটা সুফল উল্লেখ কৰা।**

**উত্তৰঃ** বানপানীয়ে সোঁতত পাহাৰৰ ওপৰৰ মাটি তলৰ সমান ঠাইলৈ উটুৱাই আনে। পাহাৰৰ এই মাটিয়ে ভৈয়ামৰ অঞ্চলবোৰ সাৰুৱা কৰি তোলে। এইয়াই হৈছে বানপানীৰ এটা সুফল।

**৪। বানপানী নিয়ন্ত্ৰণ কৰিব পৰা দুটা উপায় উল্লেখ কৰা।**

**উত্তৰঃ** বানপানী নিয়ন্ত্ৰণ কৰিব পৰা দুটা উপায় হল –আমি অত্যাধিক পৰিমাণে গছ ৰুব লাগে। গছৰ শিপাই বানপানীৰ সোঁতৰ গতিত বাধা দিয়ে।

(খ) নৈবোৰত মথাউৰি বান্ধিব লাগে।এই মথাউৰিবেৰে পানীৰ গতিক বাধা দিয়ে।

**৫ | বানপানীৰ পৰা হোৱা ক্ষয় – ক্ষতিবোৰ কমাবলৈ আমি কেনে ধৰণৰ ব্যৱস্থা ল'ব লাগে ?**

**উত্তৰঃ** বানপানীৰ পৰা হোৱা ক্ষয় – ক্ষতিবোৰ কমাবলৈ কিছুমান ব্যৱস্থা ল'ব লাগে। যেনে –

(ক) বানপানী হোৱাৰ মুহূৰ্তত সকলো লোকক বানপানীৰ বিষয়ে সজাগ কৰাব লাগে।

(খ) জনবসতি অঞ্চলবোৰত অস্থায়ীভাৱে পানী ৰোধ কৰিবলৈ বান্ধ বা মথাউৰি বান্ধি দিব লাগে।

(গ) আক্ৰান্ত হ'ব পৰা লোকক তৎক্ষণাত নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰিব লাগে।

(ঘ) বানপানী পীড়িত লোকক উচিত পৰিমাণৰ খাদ্য , ঔষধ আৰু নিৰাপদ আশ্ৰয় প্ৰদান কৰিব লাগে।

(ঙ) পানী উতলাই খাবলৈ মানুহক সজাগ কৰিব লাগে।

**৬। ভাৰতৰ পাঁচখন নদীৰ নাম লিখা।**

**উত্তৰঃ** ভাৰতৰ পাঁচখন নদীৰ নাম হ'ল – ব্ৰহ্মপুত্ৰ , গংগা , গোদাবৰী , কাবেৰী আৰু নৰ্মদা।

**৭। ভাৰতৰ এনে দুখন ৰাজ্যৰ নাম লিখা যি সততে বানপানীত আক্ৰান্ত হয়।**

**উত্তৰঃ** অসম আৰু বিহাৰ।

**৮ | ভাৰতত যথেষ্ট খৰাং হোৱা দুখন ৰাজ্যৰ নাম লিখা।**

**উত্তৰঃ** ৰাজস্থান আৰু গুজৰাট।

**৯। অসমত ডাঙৰ ভূমিকম্পটো কিমান চনত হৈছিল ?**

**উত্তৰঃ** ১৯৫০ চনত।

**১০। ভূমিকম্পৰ জোকাৰণিৰ তীব্ৰতা জোখা স্কেলৰ নাম কি ?**

**উত্তৰঃ** ৰিখটাৰ স্কেল

**১১। ভূমিকম্প কিয় হয় ? বহলাই লিখা।**

**উত্তৰঃ** আমাৰ ভূ -পৃষ্ঠৰ উপৰিভাগ গোটা কঠিন শিলজাতীয় পদাৰ্থৰে তৈয়াৰী । ই এটা পাতল তৰপ আৰু ইয়াক পৃথিৱীৰ খোলা বুলি কোৱা হয়। এই তৰপটোৰ তলত অত্যাধিক তাপৰ ফলত গোটা পদাৰ্থবোৰ গলিত অৱস্থাত থাকে। যেতিয়া এইবোৰ ভূ – পৃষ্ঠৰ উপৰিভাগলৈ ওলাই আহিব খোজে তেতিয়া তাৰ আশে পাশে থকা ঠাইসমূহৰ মাটি কঁপিবলৈ ধৰে।

এনেবোৰ কাৰণতেই ভূমিকম্পৰ সৃষ্টি হয়।

**১২। ভূমিকম্প হোৱাৰ সময়ত কেনেধৰণৰ সাৱধানতা সমূহ অৱলম্বন কৰিব লাগে ?**

**উত্তৰঃ** ভূমিকম্প হোৱাৰ সময়ত আমি ল’ব লগা সাৱধানতা সমূহ হ’ল –

(ক) ঘৰৰ ভিতৰৰ পৰা মুকলি ঠাইলৈ ওলাই আহিব লাগে।

(খ) টেবুল বা বিচনা আদিৰ দৰে কঠিন বস্তুৰ তলত সোমাব লাগে।

(গ) বিদ্যুতৰ তাঁৰ অথবা খুটাৰ পৰা নিৰাপদ দূৰত্বত থাকিব লাগে।

**১৩। দূষিত পানীৰ পৰা বিয়পিব পৰা কেইটামান সংক্ৰামক ৰোগৰ নাম লিখা।**

উ: কলেৰা , ডায়েৰিয়া , টাইফয়ড , জণ্ডিছ আদি।

**১৪। প্ৰাকৃতিক দুৰ্যোগত আক্ৰান্তলোকক তুমি কেনেদৰে সহায় কৰিবা ?**

**উত্তৰঃ** (ক) প্ৰাকৃতিক দুৰ্যোগত আক্ৰান্ত মানুহখিনিক সাহসেৰে বিপদৰ মুখা মুখি হ’বলৈ ক’ব লাগে।

(খ) মানুহখিনিক নিৰাপদ ঠাইলৈ যোৱাত সহায় কৰিব লাগে।

(গ) চিকিৎসক , আৰক্ষী অথবা সেনা জোৱানৰ উপদেশ মতে দুৰ্যোগৰ সময়ত কাম কৰিব লাগে।

**১৫। ভূমিকম্পৰ উৎপত্তি স্থলৰ ঠিক ওপৰত থকা ঠাই খিনিক কি বুলি কোৱা হয় ?**

**উত্তৰঃ** উপকেন্দ্ৰ বা অভিকেন্দ্ৰ।